DA-LIBRARY

**2021**

( Held in 2022 )

HISTORY

Paper : HIS–HE–5016

**( History of Assam up to 1228 )**

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions in *one* word or in *one* sentence each : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ প্ৰতিটোৰ এটা শব্দ বা এটা বাক্যত উত্তৰ দিয়া :

(a) Mention one name by which Assam was known in ancient times.

প্ৰচীন যুগত অসমক বুজোৱা এটা নাম লিখা।

(b) Which racial stock was the last to migrate into ancient Assam?

প্ৰচীন অসমলৈ প্ৰব্ৰজন কৰা অন্তিম জনগোষ্ঠীটো কি?

*(c)* What was the name of the capital of king Bhismaka?

ভীষ্মক ৰজাৰ ৰাজধানীখনৰ নাম কি আছিল ?

*(d)* During whose reign Hayunthal grant was made?

কাৰ শাসনকালত হয়ুন্থাল দানলিপি কৰা হৈছিল ?

*(e)* Who was the last king of the Salastambha dynasty?

শালস্তম্ভ বংশৰ অন্তিম ৰজাজন কোন আছিল ?

*(f)* Which kind of Buddhism influenced the later Pala rulers?

পৰৱৰ্তী পাল শাসকসকলক বৌদ্ধ ধৰ্মৰ কোনটো পন্থাই প্ৰভাৱিত কৰিছিল ?

*(g)* Who was the first ruler from Gauda to conquer Kamarupa to establish his rule?

কোনজন গৌড় শাসকে প্ৰথমবাৰৰ বাবে কামৰূপ দখল কৰি তেওঁৰ শাসন প্ৰতিষ্ঠা কৰিছিল ?

*(h)* Where is Kanai Barashi Rock Inscription?

কানাই বৰশী শিলালিপি ক'ত আছে ?

 DA-LIBRARY

(i) What was the lowest administrative unit of ancient Assam?

প্ৰাচীন অসমৰ আটাইতকৈ ক্ষুদ্ৰ প্ৰশাসনিক গোটটো কি আছিল?

(j) Name any one language in which literature was produced in ancient Assam.

প্ৰাচীন অসমত সাহিত্য সৃষ্টিৰ বাবে ব্যৱহৃত যি কোনো এটা ভাষাৰ নাম লিখা।

**2.** Answer the following questions in brief : $2 \times 5 = 10$

তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা :

(a) Mention two important literary sources of ancient Assam.

প্ৰাচীন অসমৰ দুটা গুৰুত্বপূৰ্ণ সাহিত্যিক সমল উল্লেখ কৰা।

(b) Name two places of prevalence of solar cult in ancient Assam.

প্ৰাচীন অসমত সূৰ্য উপাসনা প্ৰচলন থকা দুখন স্থানৰ নাম লিখা।

(c) Who is the founder of the Pala dynasty in Assam? Which grant narrates his accession to the throne?

পাল বংশৰ প্ৰতিষ্ঠাতা কোন? কোনখন দানলিপিত তেওঁৰ সিংহাসন আৰোহণৰ বিষয়ে বৰ্ণনা কৰা হৈছে?

DA-LIBRARY



(d) Name the Persian chronicle which described the invasion of Muhammad-bin-Bakhtiyar Khalji into ancient Assam. Who is its author?

মহম্মদ-বিন-বখতিয়াৰ খলজীৰ প্ৰাচীন অসম আক্ৰমণ বৰ্ণনা কৰা পাৰ্চিয়ান ইতিহাস গ্ৰন্থখনৰ নাম লিখা। ইয়াৰ ৰচয়িতা কোন?

(e) Who were the Dandikas and Dandapasikas? By which name was their scribe known as?

দণ্ডিক আৰু দণ্ডপাচিকসকল কোন আছিল? তেওঁলোকৰ লিপিকাসকলক কি নামেৰে জানিছিল?

3. Write short notes on any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা :

(a) Stone jars of Dima Hasao

ডিমা হাচাওৰ শৈল ভাণ্ডপাত্ৰ

(b) Naraka

নৰক

(c) Achievements of Ratnapala

ৰত্নপালৰ কৃতিত্ব

(d) Political condition of Assam after the fall of the Palas

পালসকলৰ পতনৰ পাচত অসমৰ ৰাজনৈতিক অৱস্থা

(e) Agrahara

অগ্ৰহাৰ

DA-LIBRARY

(f) Architectural remains of Tezpur

তেজপুৰৰ স্থাপত্য ভগ্নাৱশেষ

**4.** Answer any *four* of the following questions : 10×4=40

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Discuss the sources of the history of Assam during the period of your study with special reference to the Brahminical and Buddhist literary works.

তুমি অধ্যয়ন কৰা সময়ৰ অসম বুৰঞ্জীৰ সমলসমূহ ব্ৰাহ্মণ্য আৰু বৌদ্ধ সাহিত্যিক কৰ্মৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি বৰ্ণনা কৰা।

(b) "Assam is situated in one of the great migration routes of mankind." In the light of the above statement, narrate the population pattern of early Assam with different racial elements.

"অসমখন মানুহৰ এটা অতি গুৰুত্বপূৰ্ণ পৰিভ্ৰমী পথত অৱস্থিত।" উক্ত বাক্যশাৰীৰ আধাৰত বিভিন্ন জনগোষ্ঠীয় অৱদানেৰে সৈতে আদি অসমৰ জনগাঁথনি বৰ্ণনা কৰা।

*(c)* Critically analyze the Aryan and non-Aryan cults of Assam during the period of your study.

তোমাৰ অধ্যয়নৰ সময়ছোৱাত অসমৰ আৰ্য আৰু অনাৰ্য ধৰ্মপন্থাৰ এটি সমালোচনাত্মক বিশ্লেষণ আগবঢ়োৱা।

*(d)* Make an estimate about the greatness of Bhaskaravarman. What role did he play in the politics of North India?

ভাস্কৰবৰ্মণৰ মহানতাৰ এটি মূল্যাংকন আগবঢ়োৱা। সমসাময়িক উত্তৰ ভাৰতৰ ৰাজনীতিত তেওঁ কি ভূমিকা গ্ৰহণ কৰিছিল?

*(e)* Based on available sources, narrate the expansionist policy of Sri Harshadeva. Do you agree that his period was the highest point of the military glory of ancient Assam?

উপলব্ধ সমলৰ ওপৰত ভিত্তি কৰি শ্ৰীহৰ্ষদেৱৰ সাম্ৰাজ্য বিস্তাৰ নীতি বৰ্ণনা কৰা। তেওঁৰ সময়ছোৱা প্ৰাচীন অসমৰ সামৰিক গৌৰৱৰ শীৰ্ষবিন্দু বুলি তুমি মানি লোৱানে?

*(f)* Narrate the Turko-Afghan invasions of Assam during the period of your study. What were its social and political consequences?

তোমাৰ অধ্যয়নৰ সময়ছোৱাত সংঘটিত তুৰ্কী-আফগান-সকলৰ অসম আক্ৰমণ বৰ্ণনা কৰা। ইয়াৰ সামাজিক আৰু ৰাজনৈতিক ফলাফলসমূহ কি আছিল?

*(g)* Make an estimate of central and provincial administration of ancient Assam with special reference to the nature of kingship.

ৰাজতন্ত্ৰৰ স্বৰূপৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি প্ৰাচীন অসমৰ কেন্দ্ৰীয় আৰু প্ৰাদেশিক শাসনৰ এটি মূল্যাঙ্কন আগবঢ়োৱা।

*(h)* Explain the principal sources of income of the State in Assam during the period of your study.

তোমাৰ অধ্যয়নৰ সময়ছোৱাত অসমত ৰাষ্ট্ৰৰ উপাৰ্জনৰ মূল উৎসসমূহ কি আছিল, বৰ্ণনা কৰা।

***

DA-LIBRARY